Language and Literacy

ভাষা আৰু সাক্ষৰতা

TESS India

# Speaking and listening

# কথন আৰু শ্ৰৱণ





Teacher Education through School-based Support in India

www.TESS-India.edu.in

অনুবাদক আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

CC BY SA

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

*TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.*

*TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.*

*TESS-India is led by The Open University UK and funded by the UK government.*

***Video resources***

*Some of the activities in this unit are accompanied by the following icon: . This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.*

*The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.*

*TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.*

*Version 2.0 LL03v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*

*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

## এই গোটটো কিহৰ বিষয়ে (What this unit is about)

এই গোটটোত কেনেকৈ অৰ্থপূৰ্ণ কথন আৰু শ্ৰৱণৰ সুবিধাসমূহে শ্ৰেণীকোঠাত ফলপ্ৰসূ শিক্ষণ-শিকন ব্যৱস্থাত অৰিহণা যোগায় তাক আলোকপাত কৰা হৈছে।

আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ কথন আৰু শ্ৰৱণ কৌশল বিকাশৰ বাবে আপুনি একাধিক ত্রি য়া-কলাপৰ পৰিকল্পনা আৰু মূল্যায়ন কৰিব। আপুনি কিছুমান উপায় বিবেচনা কৰিব যাৰ দ্বাৰা আপুনি শিক্ষাদান কৰা ছাত্ৰ-ছাত্ৰীৰ তেওঁলোকৰ শ্ৰৱণৰ মান নিৰূপণ কৰিব আৰু ভৱিষ্যত পাঠৰ পৰিকল্পনা কৰিব।

## এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীকোঠাত হোৱা গুণগত কথোপকথনৰ গুৰুত্ব বুজি পাব
- কথন আৰু শ্ৰৱণৰ ত্রি য়া-কলাপৰ ক্ষেত্ৰত ছবি কেনেকৈ ভিত্তি হিচাপে ব্যৱহাৰ কৰিব
- ছাত্ৰ-ছাত্ৰীৰ বোধ আৰু বিকাশৰ মূল্যায়নত তেওঁলোকৰ কথোপকথনক কেনেকৈ ব্যৱহাৰ কৰিব পাৰি, সেইমতে আপুনি আপোনাৰ শিকন পৰিকল্পনা সালসলনি কৰিব পাৰিব

## এই পদ্ধতিটো কিয় গুৰুত্বপূৰ্ণ? (Why this approach is important)

কম বয়সীয়া ছাত্ৰ-ছাত্ৰীয়ে পঢ়া আৰু লিখাৰ আগতেই কথা শুনে আৰু কয়। নিজৰ প্ৰয়োজন আৰু ইচ্ছা প্ৰকাশ কৰিবলৈ, কোনো কথাৰ বিষয়ে জানিবলৈ বা কাল্পনিক আৰু উদ্‌ঘাটনমূলক খেলত ভাগ ল'বলৈ কথন কেনেকৈ ব্যৱহাৰ কৰিব লাগে সেইবিষয়ে শিশুসকলে শিকে। বিভিন্ন প্ৰসঙ্গত বেলেগ বেলেগ বিষয়ত ছাত্ৰ-ছাত্ৰীসকলক শ্ৰৱণ আৰু কথনৰ বাবে সুযোগৰ প্ৰয়োজন হয়। এনে সুযোগ তেওঁলোকক ভাষাৰ কৌশলৰ বিকাশত সহায়ক হয় যিটোৱে তেওঁলোকক বিদ্যালয়ৰ সাফল্যত আগুৱাই নিব পাৰে।

## ১) কথন আৰু শিকন (1 Talking and learning)

পৰম্পৰাগত শ্ৰেণীকোঠাত, কথনৰ ক্ষেত্ৰত শিক্ষকেই প্ৰভূত বিস্তাৰ কৰে। শিকন প্ৰত্রি য়াত যেতিয়া সত্রি য় ভূমিকা লয়, তেওঁলোকৰ কথোপকথনৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ শিকনৰ প্ৰতি মনোভাৱ আৰু শিকন অৰ্জনত লক্ষণীয়ভাৱে বিকাশ হ'ব।

### চিন্তন (Pause for thought)

- শিকন প্ৰত্রি য়াত ছাত্ৰ-ছাত্ৰীসকল সত্রি য়ভাৱে জড়িত হৈ থকা বুলিলে আপুনি কি বুজে? ইয়াৰ অৰ্থ সত্রি য়ভাৱে জড়িত মানে কেৱল শিক্ষকৰ প্ৰ.ৰ উত্তৰ দিয়া বুলি আপুনি ভাবেনে নে ইয়াতকৈ কিবা বেছি বুলি ভাবে?
- শ্ৰেণীকোঠাৰ শিকনত আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে সত্রি য়ভাৱে জড়িত হৈছেনে নাই কেনেকৈ জানিব?

বৰ্তমানৰ জ্ঞান, কৌশল আৰু অভিজ্ঞতাক নতুন চিন্তাধাৰাৰে পৰিপুষ্ট কৰায় হৈছে শিকন। কথনে এই প্ৰত্রি য়াত এক মুখ্য ভূমিকা লয় কাৰণ ই ছাত্ৰ-ছাত্ৰীৰ মনত চিন্তাৰ খোৰাক যোগায়, প্ৰ.ৰ সোধে, ভালকৈ নুবুজা কথাবোৰ বুজি পোৱা, নতুন ভাৱধাৰা জগাই তোলে আৰু শিক্ষক আৰু সমনীয়াৰ লগত ভাব আদান-প্ৰদানত সহায় কৰে।

এই প্ৰথম ত্রি য়া-কলাপটোত আপুনি শিকনৰ ক্ষেত্ৰত কথনৰ মূল্যৰ কথা ভাবিব।

## ত্রি য়া-কলাপ ১ঃ শিকনৰ বাবে কথন (Activity 1: Talk for learning)

সম্ভৱ হ'লে এই ত্রি য়া-কলাপটো এজন সহকৰ্মীৰ লগত কৰক। প্ৰথমতে, সমল ১ - 'শিকনৰ বাবে কথন' পঢ়ক। পঢ়াৰ অন্তত তলৰ উদ্ধৃতি দুটা পুনৰ সাৱধানে পঢ়ক ঃ

- যদি নিৰূপিত কাম এটা কণ কণ ছাত্র-ছাত্রীৰ পূৰ্ব অভিজ্ঞতাৰ ভিত্তিত সজাই লোৱা হয়, তেতিয়া সীমিত সাক্ষৰতা আৰু প্ৰাথমিক বিজ্ঞান আৰু গণিতৰ কাৰ্যকৰী জ্ঞান বা কৌশল থকা সকলেও উচ্চমানৰ চিন্তাৰ কৌশল প্ৰদৰ্শন কৰিব পাৰিব আৰু এইটো আমোদজনক হ'ব। উদাহৰণস্বৰূপে, এজন শিশুৱে এটা গল্পত জন্তু বা ছবিৰ আকৃতি, ছবি অঁকা বা বাস্তৱ ৱস্তুৰ বিষয়ে নিশ্চয়কৈ ক'ব পাৰে, শিশুৱে এখন নাটকৰ এটা চৰিত্ৰ বা এটা পুতলাৰ পৰা হ'ব পৰা সমস্যাবোৰৰ সমাধানৰ বাবে পৰামৰ্শ আৰু সম্ভাব্য সমাধান দিবলৈ তালিকা কৰিব পাৰে।
- আপুনি ছাত্র-ছাত্রীৰ ক্ষেত্রত কেনেধৰণৰ কথোপকথন বিকাশ হোৱাতো বিচাৰে, তেওঁলোকে কি শিকিব আৰু কি চিন্তা কৰিব, সেইমতে পাঠ পৰিকল্পনা কৰক।

### চিন্তন (Pause for thought)

সমল ১ ত পৰামৰ্শ দিছে যে ছাত্র-ছাত্রীয়ে এটা গল্পৰ বিষয়ে, এটা জন্তু বা আলোক চিত্রৰ এটা আকৃতিৰ বিষয়ে, ছবি বা বাস্তৱ বস্তুৰ বিষয়ে ক'ব পাৰে আৰু এটা পুতলা বা এখন নাটকৰ এটা চৰিত্ৰ সম্বন্ধীয় সমস্যাৰ সম্ভাব্য সমাধান পূৰ্বানুমান কৰিব পাৰে।

- এই ধাৰণাবোৰ কেনেকৈ দ্বিতীয় শ্ৰেণীত প্ৰয়োগ কৰিব, সেইবিষয়ে এটা উদাহৰণ ভাবক। কি সমল, বিষয় নাইবা ত্রি য়া-কলাপ আপুনি ব্যৱহাৰ কৰিব?
- এই ধাৰণাবোৰ কেনেকৈ সপ্তম শ্ৰেণীত প্ৰয়োগ কৰিব সেইবিষয়ে এটা উদাহৰণ ভাবক। কি সমল, বিষয় নাইবা ত্রি য়া-কলাপ সঠিক হ'ব?

প্ৰ.সমূহ বিবেচনা কৰক ঃ ইয়াৰ পাছত কি হ'ব? এইটো আগতে আপুনি দেখিছেনে? এইটো কি হ'ব পাৰে? সেইটোৱে হ'ব বুলি আপুনি কিয় ভাবিলে?

- আপুনি কিছুমান ত্রি য়া-কলাপ চিন্তা কৰক য'ত আপুনি এই প্ৰ.সমূহ প্ৰথম শ্ৰেণীৰ ছাত্র-ছাত্রীক সুধিব।
- আপুনি কিছুমান ত্রি য়া-কলাপ চিন্তা কৰক য'ত আপুনি এই প্ৰ.সমূহ ষষ্ঠ শ্ৰেণীৰ ছাত্র-ছাত্রীক সুধিব।

আপোনাৰ শেহতীয়া পাঠসমূহৰ বিষয়ে পুনৰ ভাবক। আপুনি চিনাক্ত কৰিব পাৰিবনে যে কোন সময়ত আপোনাৰ ছাত্র-ছাত্রীয়ে উদ্‌ঘাটনমূলক কথোপকথন কৰিছিল? কোনবোৰ বিষয় বা বিষয়বস্তুৰ লগত এনেধৰণৰ কথনৰ সম্পৰ্ক আছে?

সকলো বয়সৰ ছাত্ৰৰ কাৰণে শিকনৰ বাবে কথন বৰ মূল্যবান। ছাত্র-ছাত্রীক কথা ক'বলৈ উদ্দেশ্যমূলকভাৱে যিমান সুবিধা দিয়া হয় সিমানেই তেওঁলোকে চিন্তা কৰি শুনিব আৰু কথা ক'ব পাৰিব।

### ভি. ডি. অ' ঃ শিকনৰ বাবে কথন (Video: Talk for learning)

## ২) ছাত্র-ছাত্রীৰ কথনক উদ্বুদ্ধ কৰিবলৈ ছবি ব্যৱহাৰ (2 Using pictures as a prompt for student talk)

ঘটনা অধ্যয়ন ১ পঢ়ক। য'ত প্ৰথম শ্ৰেণীৰ এগৰাকী শিক্ষকে ছবিৰ যোগেদি ছাত্ৰসকলক তেওঁলোকে কি জানে তাৰ বিষয়ে ক'বলৈ উৎসাহ দিছে।

## ঘটনা অধ্যয়ন ১ ঃ শ্ৰেণীকোঠাৰ কথনক উদ্‌গনি দিবলৈ ছবিৰ প্ৰয়োগ (Case Study 1: Using pictures to stimulate classroom talk)

প্ৰিয়ংকা বৰা উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ এখন গাঁৱৰ বিদ্যালয়ৰ প্ৰথম শ্ৰেণীত পাঠদান কৰা এগৰাকী শিক্ষয়িত্ৰী। শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলৰ কথনৰ বাবে উৎসাহিত কৰিবলৈ তেখেতে কিছুমান পৰিচিত ছবিৰ সহায় লৈছিল।

মই ছবিৰ সহায় লৈছিলোঁ (চিত্ৰ ১ চোৱা) মোৰ ছাত্ৰ-ছাত্ৰীক কথা ক'বলৈ উৎসাহিত কৰিবৰ বাবে। ছবিবোৰ স্থানীয় শিল্পীৰ দ্বাৰা ডাঙৰ চিটত মজবুত কাগজেৰে আৰু প্লাষ্টিকেৰে মেৰিওৱা কাগজত ছপোৱা হৈছিল। প্ৰথম ছবিখনৰ নাম আছিল 'মোৰ গাঁও' আৰু দ্বিতীয়খনৰ নাম আছিল 'কৃষি'।




চিত্ৰ ১ ঃ ছবি দুখন - মোৰ গাঁও (বাঁওফাল) আৰু কৃষি (সোঁফাল)

প্ৰিয়ংকা বৰাই ছাত্ৰ-ছাত্ৰীক কথা ক'বলৈ উৎসাহিত কৰাৰ বাবে মই এখন ছবি বেৰত লগালোঁ। মই তেওঁলোকক একো কোৱা নাই, কিন্তু মোৰ ছাত্ৰ-ছাত্ৰীয়ে ছবিখন চাইছে। মই তেওঁলোকক ছবিখন নিজৰমতে চাবলৈ আৰু পৰীক্ষা কৰিবলৈ দিলোঁ। পাছদিনা বা দুদিনৰ পাছত লক্ষ্য কৰিলোঁ যে মোৰ ছাত্ৰ-ছাত্ৰীসকলে ছবিখনৰ বিষয়ে কথা পাতিছে আৰু তাত থকা বস্তুবোৰৰ বিষয়ে তেওঁলোকৰ মাজতে আলোচনা কৰিছে।

তাৰপাছত প্ৰতিদিনাই ২০ মিনিট সময় ছবি দুখনৰ বিষয়ে এটা ছাত্ৰ-ছাত্ৰীৰ দলৰ লগত আলোচনা কৰিলোঁ। কেতিয়াবা মই দলটোক এই কামৰ বাবে বাহিৰলৈ লৈ যাওঁ আৰু বাকীবোৰক শ্ৰেণীৰ ভিতৰত শান্তভাৱে কাম কৰিবলৈ দিওঁ।

মই আগতীয়াকৈ বহুতো প্ৰ.ৰ এখন তালিকা প্ৰস্তুত কৰিলোঁ। কিছুমান প্ৰ.ৰ উদ্দেশ্য আছিল সহজ-সৰল বৰ্ণনাবোৰ ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা আৰু আনবোৰ প্ৰ.ৰ উদ্দেশ্য হ'ল অধিক উদ্‌ঘাটনমূলক কথোপকথানৰ উদ্‌গনি য'ত ছাত্ৰ-ছাত্ৰীৰ যুক্তি যুক্ত তা আদি অনুমান কৰিব পৰা আৰু ছাত্ৰ-ছাত্ৰীৰ নিজৰ অভিজ্ঞতাৰ কথা থাকে। প্ৰতিটো প্ৰকাৰৰ উদাহৰণ ইয়াত দিয়া হ'ল -

- এইখন কিহৰ ছবি?
- এই ছবিখনত কি দেখিছা তুমি বৰ্ণনা কৰিব পাৰিবানে?
- মানুহবোৰে কি কৰিছে?
- তুমি কেতিয়াবা এইবোৰ খেল খেলিছানে? তুমি কেনেকৈ সেইবোৰ খেল খেলিব পাৰি বুজাই দিব পাৰিবানে?
- ঝুম খেতিত তুমি তোমাৰ পৰিয়ালক সহায় কৰিছানে?
- খেতিৰ পৰা হোৱা কোনবিধ আহাৰ তোমাৰ আটাইতকৈ প্ৰিয়? কেনেকৈ সেই আহাৰ তৈয়াৰ কৰা?
- ছবিখনৰ কোনটো অংশ তোমাৰ আটাইতকৈ ভাল লাগিল? কিয়, সঠিককৈ কোৱা?

মই প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ কথা মনোযোগেৰে কোনো ধৰণৰ শুধৰণি বা বাধা নিদিয়াকৈ শুনো। মই আন ছাত্ৰ-ছাত্ৰীসকলকো সাৱধানেৰে তথা মনোযোগেৰে শুনিবলৈ ক'লোঁ। ছাত্ৰ-ছাত্ৰীয়ে ছবিখন দেখি কি শিকিলে তাৰ বাবে তেওঁলোকক উৎসাহিত কৰোঁ আৰু এইবিষয়ে অধিক ভালকৈ গম পালোঁ। এইটোৱেই মোক তেওঁলোকৰ দক্ষতাৰ মান নিৰূপণ কৰা আৰু তেওঁলোকক সমৰ্থন আৰু সহায় কৰাৰ উপায়বোৰ বিবেচনা কৰাত সহায় কৰে।

কেইজনমান ছাত্ৰ-ছাত্ৰী কথা কোৱাৰ ক্ষেত্ৰত বৰ লাজকুৰীয়া আছিল। কিন্তু তেওঁলোকে লগৰ সহপাঠীবোৰৰ কথা বৰ মনোযোগেৰে শুনিছিল। মই তেওঁলোকক সহজ প্ৰ.ন কিছুমান সুধিছিলোঁ। যাতে এটা শব্দ, মূৰ দুপিওৱা বা লৰোৱাৰ দ্বাৰা তেওঁলোকে যে মোক বুজি

পাইছে সেইটো প্ৰকাশ কৰিব পাৰে।

মই মোৰ ছাত্ৰ-ছাত্ৰীক সদায় উৎকৃষ্ট মানৰ কথন আৰু শ্ৰৱণৰ সমল দিবলৈ চেষ্টা কৰোঁ। যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে মোক অধিক প্ৰশ্ন সুধিবলৈ বিচাৰে আৰু মোৰ প্ৰশ্নৰ উত্তৰ দিব বিচাৰে, তেওঁলোকৰ চকুলৈ চাই মই মুকলিকৈ প্ৰশ্ন কৰোঁ যাতে মই কৰা প্ৰশ্নৰ উত্তৰ দিবলৈ তেওঁলোকে আগ্ৰহ প্ৰকাশ কৰে।

## চিন্তন (Pause for thought)

- প্ৰিয়ংকা বৰাৰ কোনবোৰ প্ৰশ্নই ছাত্ৰ-ছাত্ৰীক অনুসন্ধানমূলক কথনৰ বাবে উৎসাহিত কৰে?
- সকলো ছাত্ৰ-ছাত্ৰীয়ে কাৰ্যটোত যে জড়িত হৈছে সেই কথাত তেওঁ কেনেকৈ নিশ্চিত হ'ব?
- প্ৰিয়ংকা বৰাই ছাত্ৰ-ছাত্ৰীসকলক কথা কওঁতা আৰু শুনোতা হিচাপে মূল্যায়ন কৰিবলৈ কি সুবিধা পাইছে?

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকল সম্ভৱত ভিন্ ভিন্ সামাজিক, সাংস্কৃতিক আৰু ভাষিক পটভূমিৰ পৰিৱেশৰ পৰা আহিছে। শ্ৰেণীকোঠাত আপুনি অন্তৰ্ভুক্ত কৰা কথন আৰু শ্ৰৱণৰ ক্ৰিয়া-কলাপসমূহ আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়লৈ লগত লৈ অহা বিভিন্ন জ্ঞানৰ আধাৰত হোৱা উচিত। যিসকল ছাত্ৰ-ছাত্ৰীৰ ঘৰুৱা ভাষা বিদ্যালয়ৰ ভাষাৰ লগত পৃথক, সেইসকল ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰতহে এইটো বিশেষভাৱেহে সত্য। লক্ষ্য কৰক যে ঘটনা অধ্যয়ন ১ ত ব্যৱহাৰ কৰা ছবিসমূহ কেনেভাৱে প্ৰিয়ংকা বৰাৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে চিনাকি। সজাগ হওক যে নীৰৱ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰৱণ, চিন্তন আৰু শিকনৰ দ্বাৰা তেতিয়াও অংশগ্ৰহণ কৰি আছে।

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কথন আৰু শ্ৰৱণৰ ক্ষেত্ৰত অনুপ্ৰাণিত কৰিবলৈ নিম্নোক্ত ক্ৰিয়া-কলাপটোত আপুনি ছবি ব্যৱহাৰ কৰক।

## ক্ৰিয়া-কলাপ ২ঃ এটা ছবি ভিত্তিক দলগত আলোচনা (Activity 2: A picture-based group discussion)

আপোনাৰ বিদ্যালয় বা সমাজত এই কাৰ্যটো কৰিবৰ কাৰণে আপুনি পাঠ্যপুথিৰ পৰাই অথবা আন উৎসৰ পৰা যিকোনো ছবি ব্যৱহাৰ কৰিব পাৰে।

ঘটনা অধ্যয়ন ১ ৰ ধাৰণা ব্যৱহাৰ কৰি এটা পাঠ পৰিকল্পনা কৰক য'ত আপুনি এখন ছবি বা এলানি ছবিৰ সহায়েৰে ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰক যাতে তেওঁলোকে দেখা বা কল্পনা কৰা ঘটনাৰ বিষয়ে কথা পাতিব পাৰে। তেওঁলোকৰ জ্ঞান আৰু অভিজ্ঞতাৰে তেওঁলোকে কি দেখিছে, কি কল্পনা কৰিছে কথনৰ যোগেদি তাকো প্ৰকাশ কৰিব পাৰে।

পাঠ পৰিকল্পনা কৰাৰ আগতে তলত দিয়া কাৰ্যখিনি কৰকঃ

- আপুনি কাৰ্যটো কেনেধৰণে সংগঠিত কৰিব চিন্তা কৰক। কাৰ্যটো কোঠাৰ ভিতৰত নে বাহিৰত কৰিব, যুৰীয়াভাৱে নে সৰু দলত নে গোটেই শ্ৰেণীটোকে জড়িত কৰিব বিবেচনা কৰক।
- ছাত্ৰ-ছাত্ৰীক কেনেধৰণৰ প্ৰশ্ন সুধিব তাৰ বাবে এগৰাকী সহকৰ্মীৰ লগত গভীৰভাৱে আলোচনা কৰক।


তলত দিয়া প্ৰশ্নবোৰ চিত্ৰ ২ ৰ ছবিবোৰৰ লগত জড়িত। আপুনি অন্যান্য প্ৰশ্ন ছবি আৰু ছাত্ৰ-ছাত্ৰীৰ বয়স অনুসৰি যুগুতোৱা আৱশ্যক।

- **বৰ্ণনাত্মক প্ৰশ্ন** (Description questions) ঃ
  - এই ছবিখনত কি ঘটিছে বুলি তুমি ভাবা?
  - ল'ৰা-ছোৱালীবোৰে কি কৰিছে?
  - ছবিত কিমানজনী ছোৱালী আছে? কিমানজন ল'ৰা আছে? কিমানজন প্ৰাপ্তবয়স্ক লোক আছে?
  - ছবিখনত তুমি কি ৰং দেখিছা?
- **যুক্তি ধৰ্মী প্ৰশ্ন** (Reasoning questions) ঃ
  - ছবিত কিছুমান প্ৰাপ্তবয়স্ক লোক দেখুৱাওক আৰু সোধক- 'তেওঁলোক কোন বুলি ভাবা আৰু তেওঁলোকে ইজনে-সিজনক কি কথা কৈ আছে?'
  - কিছুমান ল'ৰা-ছোৱালীক দেখুৱাওক আৰু সোধক, 'তেওঁলোকে কি কৈছে বুলি তুমি ভাবা?'
  - এতিয়া বতৰ বা ঋতু কি? তুমি কেনেকৈ জানিলা?
  - এতিয়া দিনটোৰ কোন সময় হৈছে বুলি ভাবা? কিয়?
  - এতিয়া শান্ত পৰিৱেশ নে হুলস্থুলীয়া? তুমি কেনেকৈ জানিলা?

- ○ তুমি ভাবানে খাই থকা ল'ৰাটোৱে বহি থকা ঠাইৰ পৰা ছোৱালীবোৰে স্কিপিং কৰি থকা দেখিছে?
- ○ ল'ৰা-ছোৱালীবোৰ সুখী নে দুখী? কেনেকৈ ক'ব পাৰিলা?
- ○ ল'ৰা-ছোৱালীবোৰে কিয় বেলেগ বেলেগ খেল খেলে?
- ○ ছোৱালীজনীয়ে ডাঙৰ শব্দ শুনিবলৈ ভাল পায়নে?

- **ভৱিষ্যতে অনুমান কৰিব পৰা প্ৰশ্নসমূহ** (Prediction questions) ঃ
  - ○ ল'ৰাটোৱে তেওঁৰ ছিটিকা মাৰিলে কি ঘটিব?
  - ○ ল'ৰাটোৱে বলটো ধৰিবনে?
  - ○ ইয়াৰ পাছত কি ঘটিব বুলি ভাবা?

- **ছাত্ৰ-ছাত্ৰীৰ নিজা অভিজ্ঞতাৰ সৈতে ছবিৰ সম্বন্ধ স্থাপন** (Relating the picture to the students' own experience) ঃ
  - ○ তোমাৰ বিদ্যালয়ৰ চৌহদ দেখিবলৈ এনেকুৱানে?
  - ○ এই খেলবিলাক তোমালোকে খেলানে?
  - ○ তুমি কি খেল খেলিবলৈ ভাল পোৱা?
  - ○ তুমি খেল পথাৰত থকা হ'লে কি কৰিবলৈ ভাল পালাহেঁতেন?



চিত্ৰ ২ ঃ ছাত্ৰ-ছাত্ৰীক কথোপকথনত অনুপ্ৰাণিত কৰিবলৈ দুখন ছবি

## চিন্তন (Pause for thought)

এবাৰ শ্ৰেণীকোঠাত এই কাৰ্যটি হাতত লৈ তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক ঃ

- আপুনি কেনেধৰণৰ প্ৰশ্ন সুধিছিল?
- আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে দিয়া সহাঁৰি সমূহৰ কিমান দীঘলীয়া আৰু গুনাগুণ সম্পৰ্কে আপুনি কি লক্ষ্য কৰিছিল?
- এই ক্ৰিয়া-কলাপটো কৰোঁতে কিধৰণৰ কৌশল আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে শিকিছিল? (উদাহৰণস্বৰূপে, এইয়া আনৰ কথা শ্ৰৱণ কৰা, প্ৰশ্নৰ উত্তৰ দিয়া, নিজৰ অভিজ্ঞতাৰ বিষয়ে কোৱা বা চিন্তা আৰু যুক্তি দিবলৈ ভাষা ব্যৱহাৰ)
- তেওঁলোকৰ কোনো কথা-বতৰা পাঠ্যক্ৰমৰ আন যেনে - গণিত, ভূগোল বা বিজ্ঞান বিষয়ৰ সৈতে সম্পৰ্ক থকানে?

আপোনাৰ শৈক্ষিক পৰিকল্পনা আৰু ক্ৰিয়া-কলাপত প্ৰশ্ন ব্যৱহাৰ সম্পৰ্কে অধিক জানিবলৈ সমল ২ ৰ 'প্ৰশ্নৰ ব্যৱহাৰেৰে চিন্তনত অনুপ্ৰেৰণা' পঢ়ক।


### ভি. ডি. অ' ঃ প্ৰশ্নৰ সহায়েৰে চিন্তনৰ অনুপ্ৰেৰণা (Video: Using questioning to promote thinking)

পৰৱৰ্তী ক্ৰিয়া-কলাপটোত শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলক ভাবি সাধু ক'বলৈ উৎসাহিত কৰাৰ অৰ্থে আপুনি ছবি ব্যৱহাৰ কৰিব।

## ক্ৰিয়া-কলাপ ৩ ঃ ছবিৰ পৰা এটা সাধু (Activity 3: A story from pictures)

চিত্ৰ ৩ ত থকা ছবি চাৰিখন চাওক। ছবিৰ সৈতে সম্পৰ্ক থকা সাধু এটা সাজক। কাহিনীটো আপোনাৰ ইচ্ছা অনুসাৰে আৰু চুটি নাইবা দীঘলীয়া হ'ব পাৰে আৰু সংলাপ সুমুৱাব পাৰে।

আপোনাৰ গল্পটো সহকৰ্মী এগৰাকীক কওক। তেওঁলোকে ইয়াৰ বিষয়ে কি ভাবিছিল?



চিত্ৰ ৩ ঃ এটা সাধু সৃষ্টি কৰিবলৈ ছবিৰ ব্যৱহাৰ

এতিয়া আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে এনেধৰণৰ ছবিৰ সহায়ত গল্প কোৱা কাৰ্য কৰাওক। আপুনি যিকোনো এলানি ছবি এই উদ্দেশ্যৰ বাবে ল'ব পাৰে। কিতাপৰ পৰাই হওক বা আলোচনী, বাতৰি কাকত নাইবা আপোনাৰ বন্ধু বা সহকৰ্মী বা আপোনাৰ নিজৰ অঁকা চিত্ৰ হ'লেও হ'ব।

চিত্ৰ ৩ ত দেখুওৱাৰ দৰে নিজৰ চুটি গল্পটো ছবিৰ ক্ৰমত সজাই আৰম্ভ কৰিব। তাৰপাছত আপোনাৰ ছাত্ৰ-ছাত্ৰীক দুজনীয়া দলত ভাগ কৰি ল'ব। তেওঁলোকক সেই ছবিৰ আধাৰত বেলেগ গল্প ক'বলৈ দিব। দুজনকৈ বা দলগতভাৱে ঘৰত কোৱা ভাষা প্ৰয়োগ কৰিবলৈ দিব লাগে যাতে তেওঁলোকে নিজে সেই ভাষাত গল্প ক'ব পৰা হয়। তেওঁলোকক বিভিন্নধৰণৰ মাত আৰু বিভিন্ন ভাব-ভংগী ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰিব।

প্ৰত্যেকেই সাজু হোৱাৰ পাছত, তেওঁলোকক দুজনীয়া দলত বা গোটেই শ্ৰেণীটোকে গল্প ক'বলৈ দিব লাগে। তেওঁলোকক ঘৰুৱা ভাষাত গল্পবোৰ ক'বলৈ সময় দিব যাতে তেওঁলোকে গল্পবোৰ লাহে লাহে বিদ্যালয়ৰ ভাষাত ক'ব পৰা হয়।

### চিন্তন (Pause for thought)

- এই কাৰ্যই আপোনাৰ ছাত্ৰ-ছাত্ৰীক কি ভাষা সম্পৰ্কীয় জ্ঞানৰ সুবিধা দিলে?
- আপুনি এই কাৰ্যৰ দ্বাৰা শ্ৰেণীৰ প্ৰত্যেক ছাত্ৰই ক্ৰিয়া-কলাপত জড়িত হোৱাতো কেনেকৈ নিশ্চিত কৰিলে?
- আপুনি এই ক্ৰিয়া-কলাপটো পাঠ্যক্ৰমৰ এটা বিশেষ বিষয় যেনে - বুৰঞ্জীৰ বাবে কেনেকৈ অভিযোজন কৰিব

পাৰিব।

- এনেধৰণৰ ত্ৰি য়া-কলাপৰ মাজেৰে আপুনি কেনেকৈ ভাষা আৰু বিষয়বস্তুৰ জ্ঞানৰ মূল্যায়ন কৰিব?

## ৩) আপোনাৰ শিকনত সহায় হোৱাকৈ ছাত্ৰ-ছাত্ৰীৰ কথনৰ ব্যৱহাৰ

## (3 Using student talk to inform your teaching)

ছাত্ৰসকলে প্ৰায়ে তেওঁলোকৰ শিকনৰ কথা পাতে। এতিয়া ত্ৰি য়া-কলাপ ৪ টো চেষ্টা কৰক।

### ত্ৰি য়া-কলাপ ৪ঃ আপোনাৰ ছাত্ৰৰ কথন শুনি (Activity 4: Listening in on your students' talk)

শিকনৰ সমল হিচাপে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ কথনৰ সম্ভাৱনা বুজিবলৈ, তেওঁলোকে পৃথকে পৃথকে পতা কথা-বতৰা শুনিবলৈ চেষ্টা কৰক। যদি পাৰে এবাৰতকৈ বেছিকৈ কৰিব।

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে তলত উল্লেখ কৰা ধৰণে কথা পাতে নেকি মন কৰক -

- কোনো কথাৰ প্ৰতি মনোযোগ দিয়া।
- এই বিষয়ে মনোযোগেৰে চিন্তা কৰা।
- পৰ্যৱেক্ষণৰ সাল সলনি কৰা।
- তেওঁলোকৰ পৰ্যৱেক্ষণ আৰু অভিজ্ঞতা শৃংখলাবদ্ধভাৱে সংগঠিত কৰা।
- ইজনে-সিজনৰ পৰ্যৱেক্ষণ আৰু অভিজ্ঞতা প্ৰত্যাহ্বান জনোৱা।
- পৰ্যৱেক্ষণ আৰু অভিজ্ঞতাৰ ক্ষেত্ৰত যুক্তি দেখুওৱা।
- ভৱিষ্যতে কি হ'ব অনুমান কৰা।
- পূৰ্বৰ পৰ্যৱেক্ষণ আৰু অভিজ্ঞতাৰ পুনৰ স্মৰণ কৰা।
- কাৰোবাৰ অভিজ্ঞতা বা অনুভৱক কল্পনা কৰা।
- নিজৰ অনুভৱ আৰু অভিজ্ঞতাৰ পুনৰ বৰ্ণনা কৰা।

### চিন্তন (Pause for thought)

- আপুনি কোনো ছাত্ৰ-ছাত্ৰীয়ে শিকন প্ৰত্ৰি য়াত কথা কোৱা শুনিছে নেকি আৰু তেওঁ শিকাখিনি তেওঁৰ কথোপকথনৰ মাজেৰে চমুকৈ প্ৰকাশ কৰা শুনিছে নেকি?
- এই কথোপকথনখিনি আপুনি আপোনাৰ শিক্ষণ প্ৰণালীত এটা সমল হিচাপে কেনেকৈ প্ৰয়োগ কৰিব পাৰিব?

শিক্ষক হিচাপে নিজে এজন ভাল শ্ৰোতা হোৱাতো জৰুৰী। প্ৰায়ে আপুনি আপোনাৰ ছাত্ৰই কোৱা অৰ্থপূৰ্ণ কথাবোৰ ভৱিষ্যত পাঠ পৰিকল্পনাত প্ৰয়োগ কৰিব পাৰিব।

এতিয়া তলত দিয়া ঘটনা অধ্যয়নৰ উদাহৰণ দুটা পঢ়ক। ঘটনা অধ্যয়ন ২ পঢ়োঁতে শিক্ষকে তেওঁলোকে শুনা কথাবোৰ শিকনত কেনেকৈ ব্যৱহাৰ কৰিব ভাবক। এই কাৰ্য শেষ হ'লে ছাত্ৰ-ছাত্ৰীৰ কথা শুনাৰ বাবে সুযোগ উলিৱাওক। ছাত্ৰ-ছাত্ৰীৰ কথা-বতৰাৰ কি অংশই আপোনাক শ্ৰেণীকোঠাৰ ত্ৰি য়া-কলাপৰ পৰিকল্পনাত সহায় কৰিব।

## ঘটনা অধ্যয়ন ২ ঃ ছাত্ৰ-ছাত্ৰীৰ কথনক ভিত্তি কৰি (Case Study 2: Building on students' talk)

নাৰ্গিছ বেগম মৈৰাবাৰীৰ দ্বিতীয় শ্ৰেণীত পাঠদান কৰা এগৰাকী শিক্ষয়িত্ৰী।

মই বাহিৰত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি আছিলোঁ। হঠাৎ বৰ ডাঙৰকৈ চিঞৰি কথা কোৱা শুনিলোঁ। মই তেওঁলোকৰ মাজত নোসোমাওঁ বুলি ভাবি কথাটোনো কি শুনিবলৈ যত্ন কৰিলোঁ। চাৰিটা ল'ৰাই সেইদিনা ৰাতিপুৱা মই পঢ়ুওৱা কবিতাটোক লৈ তৰ্ক কৰি আছে। মই কবিতাটো পঢ়ি থকা সময়ত শ্ৰেণীৰ সকলোৱে মনোযোগ দি শুনি আছিল। সেইবাবে মই তেওঁলোকে ভালকৈ বুজি পাইছে বুলি ধৰি ল'লো। কিন্তু মোৰ ছাত্ৰসকলে কৰা তৰ্কাতৰ্কিৰ ফলত মই ধৰিব পাৰিলোঁ যে, তেওঁলোকে কবিতাটো ভালকৈ আয়ত্ব কৰিব পৰা নাই। তেওঁলোকৰ বিভিন্ন মতামত শুনি মই বুজিলোঁ তেওঁলোকৰ বহুতেই কবিতাটোৰ ভাব বুজি পোৱা নাছিল। কিছুমান মূল শব্দৰ অৰ্থ তেওঁলোকে সমূলি বুজা নাই।

মই কবিতাটো আকৌ দ্বিতীয় দিনা পঢ়োঁৱালো আৰু ছাত্ৰ-ছাত্ৰীয়ে বুজিছেনে নাই পৰীক্ষা কৰিলোঁ। এই ঘটনাৰ পৰা মই জানিব পাৰিলোঁ যে পাঠ্যপুথিৰ পাঠদান কৰোঁতে মই আৱশ্যকতকৈও বেছি সময় দিব লাগিব আৰু যিকোনো অচিনাকি শব্দৰ অৰ্থ সহজকৈ বুজাব লাগিব। এই প্ৰক্ৰি য়াটো মই সদায় অভ্যাস কৰিবলৈ ল'লো আৰু ছাত্ৰ-ছাত্ৰীসকলে আয়ত্ব কৰা উপকাৰিতা লক্ষ্য কৰিলোঁ।

সৰোজীনি বড়ো বঙাইগাঁওৰ পঞ্চম শ্ৰেণীত পাঠদান কৰা এগৰাকী শিক্ষয়িত্ৰী।

মই যিবোৰ কথা ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ লিখিত কামত প্ৰকাশ কৰা বিচাৰিছিলোঁ সেইবোৰ কথা তেওঁলোকক নিৰ্দিষ্টকৈ বুজাই দিছিলোঁ। এনে কৰাৰ ফলত তেওঁলোকৰ লিখাবোৰত যথেষ্ট মিল পোৱা গ'ল।

এদিন ৰাতিপুৱা শ্ৰেণী আৰম্ভ হোৱাৰ আগতে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে একেলগে কথা পাতি থকা মই শুনিছিলোঁ। সেই সময়খিনিত তেওঁলোকে আশ্চৰ্যজনকভাৱে বিভিন্ন বিষয় ব্যাখ্যা কৰিলে, প্ৰ ৷ সুধিলে, যুক্তি তৰ্ক কৰিলে আৰু ভৱিষ্যতৰ বহু কথাই অনুমান কৰিলে। তেওঁলোকৰ মনত যে ইমানবোৰ ভাব লুকাই আছিল।

তেওঁলোকৰ কথাবোৰ শুনাৰ পাছত মই অধিক উপলব্ধি কৰিলোঁ যে- তেওঁলোকক যদি নিজৰ কথন সমলবোৰ, অভিজ্ঞতাবোৰ আৰু তেওঁলোকৰ ভাল লগা বিষয়বোৰ প্ৰকাশ কৰিবলৈ সুবিধা দিওঁ, তেওঁলোকেঅধিক সুন্দৰ সৃষ্টিশীল আৰু অৰ্থপূৰ্ণভাৱে লিখিব পাৰিব।

এতিয়া মই মোৰ ছাত্ৰসকলক চাৰিটা বা পাচঁটাকৈ দল বান্ধি কোনো এটা বিষয় আলোচনা কৰিবৰ বাবে নিৰ্বাচন কৰোঁ আৰু তাৰপাছতহে ব্যক্তি গত লিখিত কাম কৰিবলৈ নিশ্চিত কৰিবলৈ দিওঁ। এই পৰ্যন্ত যিবোৰ বিষয়ৰ বিষয়ে তেওঁলোকে কথা পাতিছিল বা লিখিছিল সেইবোৰ আছিল- স্কুলৰ বাহিৰৰ চাহ দোকানখন, এটা স্থানীয় উৎসৱ, এটা অলপতে হৈ যোৱা খেল-ধেমালি আৰু চৌপাশৰ গছ-গছনি। কেতিয়াবা মই ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ চৌহদত কিছুমান বস্তু পৰ্যৱেক্ষণ কৰিবলৈ পঠিয়াও আৰু সেইবিষয়ে আলোচনা কৰি লিখিবলৈ দিওঁ।

শেষৰ ক্ৰি য়া-কলাপত আপুনি কথন আৰু লিখনৰ বাবে দলগত ক্ৰি য়া-কলাপ কৰোৱাব। আপোনাৰ বাবে মুল সমল 'দলগত কাৰ্যৰ ব্যৱহাৰ' উপযোগী হ'ব পাৰে।

## ক্ৰি য়া-কলাপ ৫ ঃ লিখনৰ প্ৰস্তুতিৰ বাবে দলগত কথনৰ ব্যৱহাৰ (Activity 5: Using group talk to prepare for writing)

সৰোজীনি বড়োৰ ঘটনা অধ্যয়নটোৰ সহায় লৈ এটা পাঠ পৰিকল্পনা কৰক যিটোৰ জৰিয়তে আপুনি ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকে ব্যক্তি গতভাৱে লিখাৰ আগতে আলোচনা কৰিবলৈ সুবিধা পায়।

- আপোনাৰ শ্ৰেণীটো চাৰি, পাঁচ বা ছয়জনীয়া দলত ভাগ কৰক।
- প্ৰতিটো দলক এটা বিষয় আলোচনা কৰিবলৈ দিয়ক। আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বয়স আৰু আগ্ৰহৰ ওপৰতো এই কথা নিৰ্ভৰ কৰে। প্ৰতিটো দলক উৎসাহ যোগাবৰ বাবে আপুনি তেওঁলোকক ফটো বা বাতৰি কাকতৰ পৰা কাটি ৰখা সংবাদ সম্বলিত কাগজৰ টুকুৰা দিব পাৰে।
- দুই বা তিনি গৰাকী ছাত্ৰক আদৰ্শ গোট হিচাপে লৈ তেওঁলোকে কেনেকৈ কথা ক'লে আপুনি ভাল পাব, কেনেকৈ অন্বেষণমূলক প্ৰ ৷ সুধিব লাগে আৰু শ্ৰেণীৰ লগৰীয়াৰ কথা কেনেধৰণে মনোযোগেৰে শুনিব সকলো প্ৰদৰ্শন কৰক।

- শ্ৰেণীৰ চাৰিওফালে ঘূৰি দলবোৰক পাৰিলে কামত সহায় কৰিব। আপোনাৰ ছাত্ৰৰ ব্যৱহাৰ কেনে, এই সুযোগতে বুজিব পাৰিব। এই কাৰ্যই ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ দক্ষতা আৰু বিষয়টো কিমান বুজিছে আপুনি জনাত সহায় কৰিব।
- আলোচনা পৰ্ব শেষ হোৱাৰ পাছত আপোনাৰ ছাত্ৰ-ছাত্ৰীক একেলগে আলোচনা কৰা বিষয়টোৰ সন্দৰ্ভত এখন চমু ৰচনা লিখিবলৈ দিয়ক।
- যেতিয়া প্ৰয়োজন হয় তেওঁলোকে লিখা ৰচনাবোৰ আপুনি আন ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ বঢ়াবৰ বাবে দিব পাৰে।
- শেষত আপুনি এই মূল্যায়ন সম্পৰ্কীয় লিখনিসমূহ পৰৱৰ্তী পাঠসমূহতো ব্যৱহাৰ কৰিব পাৰিব।

## সাৰাংশ (Summary)

এই গোটটোৱে আপোনাক ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাত ইজনে সিজনৰ কথা শুনা আৰু কথা কোৱাৰ সুযোগ সৃষ্টি কৰাৰ কিছু আভাস দিছে। ছাত্ৰ-ছাত্ৰীৰ আলোচনাই আপোনাক বিষয়বস্তু আৰু ভাষাৰ কৌশলৰ ক্ষেত্ৰত অন্তদৰ্শন আৰু ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি সম্পৰ্কে বুজিবলৈ কিমান যে মূল্যৱান, এই গোটত তাকেই আলোকপাত কৰা হৈছে। এনেধৰণৰ তথ্যই আপোনাৰ শ্ৰেণীৰ পাঠ আদান-প্ৰদান আৰু পাঠ পৰিকল্পনা দুয়োটাতে সহায় কৰিব। ছাত্ৰ-ছাত্ৰীৰ কথোপকথন শুনি তেওঁলোকৰ পাৰদৰ্শিতা বঢ়াবলৈ আপুনি বিচৰা ধৰণে ছাত্ৰ-ছাত্ৰীয়ে কি শিকিব লাগে আৰু কিহৰ বিষয়ে ভাবিব লাগে তাৰ পাঠ পৰিকল্পনা কৰিব পাৰে।

## সমলসমূহ (Resources)

## সমল ১ ঃ শিকনৰ বাবে কথন (Resource 1: Talk for learning)

### শিকনৰ বাবে কথন কিয় প্ৰয়োজনীয় ? (Why talk for learning is important)

মানৱ বিকাশৰ এটা অপৰিহাৰ্য অংশ হ'ল কথন। যিয়ে আমাক ভাবিবলৈ, শিকিবলৈ আৰু পৃথিৱীক জানিবলৈ শিকায়। মানুহে জ্ঞান, বোধ আৰু যুক্তি প্ৰদৰ্শনৰ বিকাশৰ বাবে ভাষাক আঁহিলা হিচাপে ব্যৱহাৰ কৰে। ছাত্ৰ-ছাত্ৰীৰ শিকন অভিজ্ঞতা যাতে বিকাশ হয় সেইবাবে কথনত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰা। যিবোৰ ভাব আহৰণ কৰিলে সেইবোৰৰ বিষয়ে কথা পতা মানে হ'ল -

- সেই ভাববোৰ অধিক অনুসন্ধান কৰা
- যুক্তিৰ বিকাশ সংগঠিত ৰূপত হৈছে
- ছাত্ৰ-ছাত্ৰীয়ে সেইবাবে বেছিকৈ শিকিব পাৰে

শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক কথা-বতৰা কোৱাৰ বহুতো প্ৰক্ৰিয়া আছে। সাধাৰণ মুখস্থৰ পুনৰাবৃত্তিৰ পৰা বহুতো উচ্চস্তৰৰ আলোচনা লৈ।

পৰম্পৰাগতভাৱে, শিক্ষকৰ কথা-বতৰাই প্ৰাধান্য পায়। ছাত্ৰৰ কথনতকৈ ইয়াক বেছি মূল্য দিয়া হয়। শিকনৰ কাৰণে কথনে পাঠ পৰিকল্পনাত সহায় কৰে যাতে ছাত্ৰ-ছাত্ৰীয়ে বেছিকৈ কথা ক'ব পাৰে আৰু শিকিবও পাৰে। পূৰ্বৰ অভিজ্ঞতাৰ লগত সম্পৰ্ক ৰাখি বেছিকৈ আৰু উত্তৰৰ আলোচনাৰ যোগেদিয়েই ছাত্ৰই নিজৰ ভাষাত যুক্তি, তৰ্ক, ভাৱ-মনোযোগ আদি বঢ়াই তুলিবলৈ সময় দিব পাৰে। আমি প্ৰায়বোৰেই কিবা এটা কঠিন বিষয় পালে কাৰোবাৰ লগত কথা পাতিবলৈ বিচাৰো বা কিবা এটা বিচাৰিও কাৰোবাৰ লগত কথা পাতোঁ। শিক্ষকে এই প্ৰবৃত্তিটো সু-পৰিকল্পিতভাৱে পৰিচালনা কৰিব পাৰে।

### শ্ৰেণীকোঠাত শিকন ক্ৰিয়া-কলাপৰ বাবে কথনৰ পৰিকল্পনা কৰা (Planning talk for learning activities in the classroom)

কথনৰ বাবে ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰা মানে কেৱল সাক্ষৰতা বা শব্দৰ ভড়াল চহকী কৰাৰ বাবে পাঠ পৰিকল্পনা কৰা নুবুজায়। গণিত, বিজ্ঞান আৰু অন্য বিষয়ৰ পাঠ পৰিকল্পনা কৰা এটা অংশও। গোটেই শ্ৰেণীটো লৈ দুজনকৈ বা দলত ভাগ কৰি বাহিৰত ক্ৰিয়া-কলাপ কৰাই অভিনয় কৰিবলৈ দি লিখন, পঠন, ব্যৱহাৰিক অনুসন্ধান আৰু সৃষ্টিমূলক কাৰ্য কৰিব পৰাকৈ পাঠ পৰিকল্পনা কৰিব পাৰি। আনকি সীমিত গণিতৰ আৰু সাক্ষৰতা জনা ছাত্ৰইও দক্ষতা থকা বিদ্যালয়ৰ বা উচ্চ চিন্তাযুক্ত কৌশলবোৰ অনায়াসে বুজাব পাৰে যদিহে কামটো তেওঁলোকৰ পূৰ্বৰ অভিজ্ঞতাৰ লগত জড়িত বা আনন্দদায়ক হয়। উদাহৰণস্বৰূপে, ছাত্ৰ-ছাত্ৰীয়ে যিকোনো এটা গল্প, কোনো জন্তু, ফটোৰ পৰা লোৱা কোনো আকৃতি, ছবি বা বাস্তৱ বস্তুৰ বিষয়েও সুন্দৰকৈ অনুমান কৰি কথা পাতিব পাৰে। ইয়াৰ বাবে তেওঁলোকে এটা পুতলা বা এখন নাটকৰ চৰিত্ৰৰ লগত সম্পৰ্ক থকা সমস্যা সমাধান আৰু পৰামৰ্শৰ তালিকা কৰিব পাৰে।

আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কি জানিব লাগে বা কিহৰ বিষয়ে চিন্তা কৰিব লাগে আৰু তেওঁলোকৰ কেনেধৰণৰ কথন বিকাশ হ'ব লাগে, তাৰ ভিত্তিত পাঠ পৰিকল্পনা প্ৰস্তুত কৰক। কিছুমান কথন অনুসন্ধানমূলক। উদাহৰণস্বৰূপে, 'What could happen next?' (ইয়াৰ পাছত কি হ'ব পাৰে?), 'Have we seen this before?' (এইটো আমি আগতে কেতিয়াবা দেখিছিলোঁনে?), 'What could this be?' (এইটো কি হ'ব পাৰে?) বা 'Why do you think that is?' (তুমি সেইটো বুলি কিয় ভাবা?) অন্য প্ৰকাৰৰ কথা-বতৰাসমূহ অধিক বি ষণ সম্বন্ধীয়, যেনে - ধাৰণাৰ গুৰুত্ব, প্ৰতিপন্ন কৰা, পৰামৰ্শ দিয়া। সংলাপ ক'ব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আমোদজনক আৰু আনন্দদায়ক পৰিৱেশ পৰিকল্পনা কৰক। ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভাব প্ৰকাশ কৰিবলৈ বা নতুন কথা উদ্ভাৱন কৰিবলৈ নিৰাপদ অনুভৱ কৰিব লাগে। নিজৰ ভুলৰ বাবে তেওঁলোক হাঁহিয়াতৰ পাত্ৰ হ'ব বুলি বা তেওঁলোকৰ কিজানিবা ভুল হৈছে বুলি নাভাবে।

## ছাত্ৰ-ছাত্ৰীৰ কথনৰ বিকাশৰ ওপৰত ভিত্তি কৰি (Building on students' talk)

শিকনৰ বাবে কথনে শিক্ষকক দিয়া সুবিধাবোৰ হ'ল —

- ছাত্ৰ-ছাত্ৰীয়ে কি কয় শুনা
- ছাত্ৰ-ছাত্ৰীৰ ভাৱ প্ৰকাশত সহায় আৰু প্ৰশংসা কৰা
- ছাত্ৰ-ছাত্ৰীসকলক কামত আগবঢ়াই নিয়াৰ বাবে উৎসাহিত কৰা

সকলোবোৰ সঁহাৰি লিখিত হ'ব নালাগে বা আনুষ্ঠানিকভাৱে মান নিৰূপণো কৰিব নালাগে, কাৰণ কথনৰ মাজেৰে ধাৰণাৰ বিকাশ শিকনৰ বাবে গুৰুত্বপূৰ্ণ। আপুনি তেওঁলোকৰ অভিজ্ঞতা তথা ভাববোৰ যিমান দূৰ সম্ভৱ ব্যৱহাৰ কৰিব যাতে তেওঁলোকৰ শিকন প্ৰাসঙ্গিক হয়। আটাইতকৈ উত্তম কথন হ'ব অনুসন্ধানমূলক অৰ্থাৎ ছাত্ৰই ইজনে সিজনৰ ভিতৰত ভাবৰ অনুসন্ধানমূলক তথা যুক্তিৰ আহ্বানেৰে বুজাবলৈ যত্ন কৰিব যে তেওঁলোক নিজৰ বিবেচনাৰ ক্ষেত্ৰত সুদৃঢ়। দলগত আলোচনা কেৱল একেলগে সমৰ্থন কৰাটোত উৎসাহিত কৰিব নালাগে — বৰঞ্চ আপুনি গোটেই শ্ৰেণীটোক কিছুমান প্ৰ ৰ যোগেদি তেওঁলোকৰ চিন্তাক প্ৰত্যাহ্বান জনাব পাৰে, যেনে- "why?" (কিয়), "How did you decide that?" (এইটো কেনেকৈ হ'ব বুলি ভাবিলা?) "Can you see any problems with that solution?" (সেই সমাধানটোৰ কিবা সমস্যা হ'ব পাৰে বুলি ভাবা নেকি?) আপুনি শ্ৰেণীকোঠাৰ ভিতৰত কেউফালে ঘূৰি তেওঁলোকৰ আলোচনাবোৰ শুনিব পাৰে, আৰু ওপৰত উল্লেখ কৰা ধৰণৰ কিছুমান প্ৰ সুধি তেওঁলোকক চিন্তাৰ উৎকৰ্ষ বঢ়াব পাৰে।

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ নিজৰ কথন, ভাব আৰু অভিজ্ঞতাবোৰক আপুনি মূল্য দিলে আৰু প্ৰশংসা কৰিলে তেওঁলোকে বৰ ভাল পাব। আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰশংসা কৰিব যেতিয়া তেওঁলোকে কথা পতাৰ সময়ত সজ আচৰণ দেখুৱায়, ইজনে সিজনক প্ৰ সোধে, আনে কথা কৈ থাকোঁতে ধাৰাবাহিকতা ভংগ নকৰে। শ্ৰেণীকোঠাত থকা সমাজৰ বিভিন্ন স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলক সমানে জড়িত কৰিবলৈ চেষ্টা কৰিব। এইসকল ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণ ৰূপে একেলগে যোগদান কৰিবলৈ কিছুসময় লাগিব।

## ছাত্ৰ-ছাত্ৰীক পৰস্পৰৰ মাজতে প্ৰ সুধিবলৈ উৎসাহিত কৰক (Encourage students to ask questions themselves)

আপোনাৰ শ্ৰেণীকোঠাত এনেকুৱা এটা বাতাৱৰণ সৃষ্টি কৰিব য'ত কিছুমান ভাল প্ৰত্যাহ্বানমূলক প্ৰ ৰ অৱতাৰণা কৰা হয় আৰু ছাত্ৰ-ছাত্ৰীৰ ভাববোৰক সন্মান জনোৱাৰ লগতে প্ৰশংসা কৰা হয়। ছাত্ৰ-ছাত্ৰীয়ে কেতিয়াবা ভয়তে নিজৰ ভাববোৰ ভুল হ'ব বা আপুনি মূল্য নিদিব বুলি ভাবিব পাৰে। ছাত্ৰ-ছাত্ৰীক প্ৰ সুধিবলৈ উৎসাহ জনাব লাগে আৰু তেওঁলোকক বিভিন্ন দিশত চিন্তা কৰিবলৈ সুবিধা দিব লাগে। এনে কৰিলে তেওঁলোকে কিমান বুজি পাইছে আপুনি সেয়াও জানিব পাৰিব।

আপুনি সদায় যুৰীয়া কাৰ্য বা ছাত্ৰ-ছাত্ৰীৰ 'প্ৰ ৰ সময়'ৰ বাবে পৰিকল্পনা কৰিব পাৰে। তেতিয়া ছাত্ৰ-ছাত্ৰীয়ে প্ৰ কৰিব পাৰিব বা তেওঁলোকৰ প্ৰ ৰ উত্তৰ বুজাই দিবলৈ ক'ব পাৰিব। আপুনি তলত উল্লেখ কৰা কামকেইটা কৰিব পাৰে -

- আপোনাৰ পাঠৰ এটা অংশ লৈ ছাত্ৰ-ছাত্ৰীক কওক- "Hands up if you have a questions" (তোমালোকৰ কিবা প্ৰ আছে যদি হাত দাঙা )।
- এগৰাকী ছাত্ৰক এখন আসনত বহিবলৈ দি বাকীবোৰক সেইগৰাকী ছাত্ৰক এটা চৰিত্ৰক প্ৰ সোধা ধৰণে প্ৰ সুধিবলৈ দিয়ক। উদাহৰণস্বৰূপে- পাইথাগোৰাছ বা মীৰাবাঈ।
- দুজনীয়া বা এটা সৰু দলত আৰু "Tell me more" খেলটো খেলিবলৈ দিব।
- আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক এখন প্ৰ ফলক দিয়ক - কোন, কি, ক'ত, কেতিয়া, কিয় আদি সাধাৰণ প্ৰ ৰ ব্যৱহাৰ কৰি অনুশীলন কৰিবলৈ দিয়ক।

- ছাত্ৰ-ছাত্ৰীসকলক কিছুমান তথ্য দিয়ক (উদাহৰণস্বৰূপে “World Data Bank” (বেংকৰ পৰা পোৱা তথ্য) নিয়মিয়াকৈ বা সম্পূৰ্ণ সময় শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ শতকৰা হাৰ বা বিভিন্ন দেশৰ শিশুৰ মাতৃ দুগ্ধপানৰ হাৰ) এই তথ্যসমূহৰ ওপৰত আপুনি আৰু কি প্ৰশ্ন সুধিব পাৰে তেওঁলোকক চিন্তা কৰিবলৈ দিয়ক।
- ছাত্ৰ-ছাত্ৰীয়ে সপ্তাহজুৰি যিবোৰ প্ৰশ্ন সুধিলে তাৰ সহায়ত এখন প্ৰশ্নৰ দেৱাল প্ৰস্তুত কৰক।

আপুনি ছাত্ৰ-ছাত্ৰীসকলে মুকলিভাৱে আগ্ৰহ আৰু চিন্তা-ভাৱনাৰ দ্বাৰা অনুপ্ৰাণিত হৈ প্ৰশ্ন সোধা আৰু উত্তৰ দিয়া দেখি আনন্দিত আৰু আচৰিত হ’ব। ছাত্ৰ-ছাত্ৰীৰ মনৰ ভাব স্পষ্ট আৰু শুদ্ধকৈ প্ৰকাশ কৰিবলৈ শিকাৰ লগে লগে তেওঁলোকে মৌখিক আৰু লিখিত শব্দৰ ভৰাল চহকী কৰাৰ লগতে নতুন নতুন জ্ঞান আৰু দক্ষতাও আহৰণ কৰে।

## **সমল ২ ঃ ভাবৰ উদ্ৰেগৰ বাবে প্ৰশ্নৰ ব্যৱহাৰ** (Resource 2: Using questioning to promote thinking)

শিক্ষকে সকলো সময়তে প্ৰশ্ন কৰিব লাগে। প্ৰশ্ন সোধা মানে শিক্ষকে ছাত্ৰ-ছাত্ৰীক শিকিবলৈ সহায় কৰা। গৱেষণা (Hastings, 2003) ৰ পৰা আমি জানো যে গড় হিচাপে এগৰাকী শিক্ষকে তেখেতৰ এক তৃতীয়াংশ সময়েই প্ৰশ্ন সোধাত ব্যৱহাৰ কৰে। শিক্ষকে সোধা প্ৰশ্নসমূহৰ ৬০ শতাংশ স্মৃতিৰ পৰা, ২০ শতাংশ তেওঁ কাৰ্য প্ৰণালীৰ সম্বন্ধৰ পৰা (Hattie, 2012) । আৰু ইয়াৰ বেছি ভাগ উত্তৰেই ‘হয়’ বা ‘নহয়’।

কিন্তু সাধাৰণভাৱে সোধা প্ৰশ্নই (উত্তৰ শুদ্ধ বা অশুদ্ধ) শিকনক আগবঢ়াই নিয়ে জানো?

বিভিন্ন প্ৰকাৰৰ প্ৰশ্ন আছে যিবোৰ আপুনি ছাত্ৰ-ছাত্ৰীক সুধিব পাৰে। শিক্ষকে যেনেধৰণৰ উত্তৰ আৰু ফলাফল বিচাৰে তেনে ধৰণৰ প্ৰশ্নহে প্ৰয়োগ কৰা উচিত। শিক্ষকে সাধাৰণতে ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰে বিভিন্ন উদ্দেশ্যেৰে —

- ছাত্ৰ-ছাত্ৰীক নতুন পাঠ এটা পৰিচয় কৰোৱাৰ সময়ত তেওঁলোকৰ বোধৰ বাবে সহায় কৰিবলৈ।
- ছাত্ৰ-ছাত্ৰীক চিন্তা কৰাৰ সুবিধা দিবলৈ
- ভুল শুধৰণিৰ বাবে
- ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বহলাবলৈ
- বুজি পোৱাটো জানিবলৈ

প্ৰকৃততে ছাত্ৰ-ছাত্ৰীয়ে কি বুজি পালে বা জানিলে সেইটো জানিবৰ বাবে প্ৰশ্ন সোধা হয়, সেয়েহে ছাত্ৰ-ছাত্ৰীৰ মান নিৰূপণ কৰাৰ বাবে প্ৰশ্ন সোধাটো প্ৰয়োজনীয় এটা আহিলা। প্ৰশ্নৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ চিন্তা কৰাৰ দক্ষতা আৰু বিচাৰ কৰা বা অনুসন্ধিৎসু মনৰ বিকাশ সাধন কৰিব পাৰি। প্ৰশ্নবোৰ সাধাৰণতে দুটা ভাগত ভগাব পাৰি —

- **নিম্ন পৰ্যায়ৰ প্ৰশ্ন** (Lower-order questions) - এই প্ৰশ্নবোৰ হ’ল আগতে শিকা কথাবোৰ বুজি উত্তৰ দিয়াৰ লগতে হয় বা নহয়ৰে উত্তৰ দিয়াৰ প্ৰশ্নবোৰ জড়িত হৈ থাকে।
- **উচ্চ পৰ্যায়ৰ প্ৰশ্ন** (Higher-order questions) - এনে প্ৰশ্নত অধিক চিন্তা জড়িত হৈ থাকে। এনে প্ৰশ্নত আগতে শিকা কথাৰ লগতে যুক্তি ৰে প্ৰদৰ্শন কৰিবলৈ দিয়া হয়। এনে প্ৰশ্নবোৰ প্ৰায়ে সামৰণিৰ বাবে মুকলি ৰখা হয়।

মুক্ত অন্ত (Open-ended) প্ৰশ্নই ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথিৰ উপৰি নিজাববীয়াকৈ চিন্তা কৰাৰ সুযোগ দিয়ে। এনে প্ৰশ্নই শিক্ষকক ছাত্ৰ-ছাত্ৰীয়ে পাঠ কিমান বুজি পাইছে সেইটোৰ মান নিৰূপণ কৰাতো সহায় কৰে।

## **ছাত্ৰ-ছাত্ৰীৰ সঁহাৰিক উৎসাহ দিয়া** (Encouraging students to respond)

বহু শিক্ষকে এক চেকেণ্ডতকৈও কম সময় উত্তৰ দিয়াৰ বাবে অনুমতি দিয়ে, সেইবাবেই প্ৰায়ে প্ৰশ্নটোৰ উত্তৰটো ঠিকমতে ছাত্ৰ-ছাত্ৰীয়ে দিব নোৱাৰে। ছাত্ৰ-ছাত্ৰীক প্ৰশ্নৰ উত্তৰ দিবলৈ সময় দিব লাগে। কিয়নো উত্তৰটো কি হ’ব সেই বিষয়ে ভাবিবলৈ সময় লাগে। যদি সময় দিয়া হয় তেতিয়া ছাত্ৰ-ছাত্ৰীয়ে ভাবিবলৈ সময় পাব। এনে কৰিলে ছাত্ৰ-ছাত্ৰীৰ কামৰ এটা সদাৰ্থক প্ৰভাৱ পোৱা যায়। প্ৰশ্ন সুধি কিছুসময় ৰৈ দিলে তলত দিয়া দিশবোৰ বৃদ্ধি হয় ঃ

- ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি দীঘলীয়া হয়।

- সঁহাৰি দিয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ে
- ছাত্ৰ-ছাত্ৰীয়ে ঘনাই প্ৰ.ন সোধে
- কম জনা ছাত্ৰ-ছাত্ৰীৰ পৰাও সঁহাৰি পোৱা যায়
- ছাত্ৰ-ছাত্ৰীৰ মাজত ইতিবাচক যোগাযোগ ঘটে।

## আপোনাৰ সঁহাৰি মূল্যৱান (Your response matters)

আপুনি যদি সকলো প্ৰ.নৰ উত্তৰ গ্ৰহণ কৰে তেনেহ'লে ছাত্ৰ-ছাত্ৰীয়ে অবিৰতভাবে উত্তৰ দিবলৈ ভাবিব আৰু চেষ্টা কৰিব। বিভিন্ন উপায়েৰে ভুল উত্তৰ আৰু ভ্ৰান্ত ধাৰণা শুধৰাব পাৰি। যদি এজন ছাত্ৰৰ এটা ভুল ধাৰণা আছে তেনেহ'লে আপুনি নিশ্চিত হওক যে আন বহুতৰে তেনে ধাৰণা আছে। আপুনি তলৰ উপায়সমূহ চেষ্টা কৰি চাওক —

- উত্তৰটোৰ শুদ্ধ অংশখিনি বাছি লওক আৰু ছাত্ৰ-ছাত্ৰীক উত্তৰটোৰ বিষয়ে আৰু কিছু ভাবিবলৈ সহায় কৰক। এনে কৰিলে তেওঁলোকে তেওঁলোকৰ ভুলৰ পৰা শিকিব আৰু উত্তৰ দিবলৈ অংশগ্ৰহণ কৰাত আগ্ৰহী হ'ব।
- আপোনাক ছাত্ৰ-ছাত্ৰীয়ে ভুল উত্তৰ দিলে কেনেকৈ সঁহাৰি জনাব লাগে সেইবিষয়ে ক'ব "বাষ্পই মেঘ সৃষ্টি কৰে" কিন্তু মই ভাবো আমি আৰু কিছু বেছিকৈ কেনেকৈনো 'বৰষুণ' সৃষ্টি হয় সেইবিষয়ে অনুসন্ধান কৰাৰ প্ৰয়োজন। কোনোবাই ইয়াৰ বাবে কিছু ধাৰণা দিব পাৰে নেকি?'
- ছাত্ৰ-ছাত্ৰীয়ে দিয়া সকলোবোৰ উত্তৰ ব'ৰ্ডত লিখি দিব আৰু ছাত্ৰ-ছাত্ৰীক সেই উত্তৰবোৰৰ বিষয়ে ভাবিবলৈ দিব আৰু তেওঁলোকৰ কোনটো শুদ্ধ উত্তৰ সুধিব। কিহে তেওঁলোকক আন এটা উত্তৰ দিবলৈ আগবঢ়াই নিয়ে? এনে কামৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে চিন্তা কৰিব আৰু এটা ভয়হীন পৰিৱেশত উত্তৰ দিবলৈ আৰু নিজৰ ভুল শুধৰণি কৰিবলৈ সুযোগ পাব।

মনোযোগেৰে আৰু গুৰুত্ব সহকাৰে সকলোৰে উত্তৰবোৰ শুনিব আৰু ছাত্ৰ-ছাত্ৰীক বহলাই বুজাই ক'বলৈ দিব। ছাত্ৰ-ছাত্ৰীক বিস্তৃতভাবে বুজাই ক'বলৈ দিলে তেওঁলোকে নিজৰ ভুলবোৰ নিজে নিজে শুদ্ধ কৰি ল'ব। আপুনি এটা চিন্তাশীল শ্ৰেণীকোঠাৰ সৃষ্টি কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীয়ে কেনেকৈ শিকিলে, কেনেকৈ আগবাঢ়িলে সেইবিষয়ে নিশ্চিত হ'ব। যদি অশুদ্ধ উত্তৰ দিয়াৰ বাবে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰী লজ্জিত হ'ব লগা হয়, তেনেহ'লে ছাত্ৰ-ছাত্ৰীয়ে লাজ আৰু ভয়তে উত্তৰ দিবলৈ বন্ধ কৰি দিব।

## গুণগত সঁহাৰিৰ মান উন্নতকৰণ (Improving the quality of responses)

আপুনি এটা ত্ৰ মত প্ৰ.ন যুগুতাওক যাতে প্ৰ.নবোৰ কোনো শুদ্ধ উত্তৰেৰে সমাপ্ত নহয়। শুদ্ধ উত্তৰৰ বাবে পুৰস্কৃত কৰক আৰু প্ৰ.ন কৰক যিয়ে তেওঁলোকক শিক্ষকৰ লগত মিলিত হৈ আলোচনাত অংশগ্ৰহণৰ সুবিধা দিব। আপুনি তলত দিয়া ধৰণেৰে প্ৰ.ন সুধিব পাৰেঃ

- কেনেকৈ বা কিয়? (a *how* or a *why*)
- আন উপায়েৰে উত্তৰ দিবলৈ (another way to answer)
- ইয়াতকৈ ভাল শব্দৰ প্ৰয়োগেৰে (a better word)
- উত্তৰটো প্ৰমাণেৰে বুজাবলৈ (evidence to substantiate an answer)
- সম্পৰ্কিত কৌশলৰ সমন্বয় (integration of a related skill)
- নতুন পৰিস্থিতিত একে কৌশল বা যুক্তি প্ৰয়োগ কৰি (application of the same skill or logic in a new setting)

ছাত্ৰ-ছাত্ৰীয়ে গভীৰভাবে চিন্তা কৰি উত্তৰ কৰিবলৈ সহায় কৰাত আপোনাৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে।

তলত উল্লেখ কৰা অৰ্হতাই অধিক লাভ কৰাত সহায় কৰিব ঃ

- **Prompting** ঃ ইয়াৰ বাবে উপযুক্ত সঁহাৰিৰ উমানৰ প্ৰয়োজন। কাৰণ ছাত্ৰ-ছাত্ৰীক এই সঁহাৰিয়ে তেওঁলোকৰ উত্তৰ দিয়াৰ ক্ষেত্ৰত বিকাশ আৰু উন্নতি সাধন কৰিব পাৰে। ('So what would happen if you added a weight to the end of your paper aeroplane?')
- **Probing** ঃ সূক্ষ্মানুন্ধানে ছাত্ৰ-ছাত্ৰীসকলক যিকোনো কথা আৰু অধিক সূক্ষ্মভাবে জনাত সহায় কৰে। উত্তৰ এটা যদি আংশিকভাবেহে শুদ্ধ হয় বা বিশৃংখল হৈ থাকে, Probing ৰ সহায়ত উত্তৰ স্পষ্টকৈ বুজাই দিব পাৰি। ('So what more can you tell me about how this fits together?')

- **Refocusing** ঃ ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে জানি অহা কথাৰ লগত সংযোগ কৰি নতুন জ্ঞান আহৰণ কৰিব পাৰে। এনে কৰিলে ছাত্ৰ-ছাত্ৰীয়ে বহলভাৱে বুজি পায়। ('What you have said is correct, but how does it link with what we were looking at last week in our local environment topic?')
- **Sequencing** ঃ ক্ৰম অনুসাৰে প্ৰশ্ন সুধিলে ছাত্ৰ-ছাত্ৰীয়ে বহলকৈ ভাবিবলৈ সুবিধা পায়। প্ৰশ্নবোৰে ছাত্ৰ-ছাত্ৰীক মূলভাৱ, তুলনা, ব্যাখ্যা, বিশ্লেষণ আদি কৰাৰ সুযোগ দিয়ে। প্ৰশ্নবোৰ প্ৰস্তুত কৰোঁতে ছাত্ৰ-ছাত্ৰীয়ে চিন্তাৰ সুযোগ পোৱা ধৰণৰ হ'ব লাগে কিন্তু ইমান জটিল ধৰণৰো হ'ব নালাগে যাতে তেওঁলোকে প্ৰশ্নটোৰ অৰ্থ বুজি নোপোৱা হৈ যায় বা আঁত হেৰুৱায়। ('Explain how you overcame your earlier problem. What difference did that make? What do you think you need to tackle next?')

  (তুমি কেনেকৈ আগৰ সমস্যাটো সমাধান কৰিছিলা? কি পাৰ্থক্য পাইছিলা? তুমি ইয়াৰ পৰৱৰ্তী সমস্যা সমাধান কৰিবলৈ কি ব্যৱস্থা ল'ব লাগিব বুলি ভাবা?)
- **Listening** (শ্ৰৱণ) ঃ ৰ দ্বাৰা আপুনি আশা কৰা উত্তৰটোত দৃষ্টি দিয়াৰ উপৰি আপুনি সচেতন হ'ব লাগিব কিজানি আপুনি বিচৰা উত্তৰৰ উপৰি কিবা নতুন ধৰণৰ কথাও হ'ব পাৰে। এইটোৱে ইয়াকে বুজায় যে আপুনি তেওঁলোকৰ চিন্তাক গুৰুত্ব দিছে। আপোনাৰ গুৰুত্ব দিয়া অনুসৰি ছাত্ৰ-ছাত্ৰীয়ে ভালকৈ ভাবি চিন্তি প্ৰশ্নৰ উত্তৰসমূহ দিবলৈ যত্ন কৰিব। ('I hadn't thought of that. Tell me more about why you think that way.')

শিক্ষক হিচাপে আপুনি ছাত্ৰ-ছাত্ৰীয়ে উত্তৰ দিব পৰা অথচ চিন্তা কৰিবলগীয়া প্ৰশ্ন সুধিব যাতে তেওঁলোকৰ চিন্তাৰ বিকাশ হয়। উত্তৰ দিবলৈ তেওঁলোকক যথেষ্ট সময় দিব যাতে তেওঁলোকে চিন্তা কৰি উত্তৰ দিব পাৰে।

প্ৰশ্ন কৰোঁতে সদায় মনত ৰাখিব যাতে প্ৰশ্নবোৰ শিক্ষকে জনাৰ ওপৰত নহয়, ছাত্ৰ-ছাত্ৰীয়ে জনাৰ ওপৰতহে হ'ব লাগে।

আপুনি নিজৰ প্ৰশ্নৰ উত্তৰ নিজে নিদিব। যদি ছাত্ৰ-ছাত্ৰীয়ে জানেই যে কিছুসময় মনে মনে থকাৰ পাছতেই আপুনি তেওঁলোকক উত্তৰটো কৈ দিব, তেওঁলোকৰ উত্তৰ দিয়াৰ হেঁপাহেই হেৰাই যাব পাৰে।

# Additional resources

- A selection of multilingual activities: http://mlenetwork.org/content/activities-early-grades-mother-tongue-l1-based-multilingual-education-programs
- The Rishi Valley rural education programme has published a number of different resources, some of which include pictures, poems in state and local languages: http://rishivalley.org/publications/list_of_titles.htm
- Some stories from Rishi Valley told in Hindi with downloadable written version and worksheets: http://rishivalley.org/rvite/Stories%20with%20Worksheets.htm
- Articles from Rishi Valley in Hindi and English about teaching Hindi to children: http://rishivalley.org/rvite/articles_teaching_hindi_children.htm

# References/bibliography

Barnes, D. (1992) *From Communication to Curriculum*, 2nd edn. Portsmouth, NH: Boynton/Cook-Heinemann.

Barnes, D. (2008) 'Exploratory talk for learning' in Mercer, N. and Hodgkinson, S. (eds) *Exploring Talk in School*. London: Sage Publications, pp.1–15.

Fisher, D., Frey, N. and Rothenberg, C. (2008) 'Procedures for classroom talk', Chapter 5 in *Content Area Conversations: How to Plan Discussion-Based Lessons for Diverse Language Learners*. Alexandria, VA: Association for Supervision and Curriculum Development. Available from: http://www.ascd.org/publications/books/108035/chapters/Procedures-for-Classroom-Talk.aspx (accessed 28 October 2014).

Genishi, C. (undated) 'Young children's oral language development' (online), Reading Rockets. Available from: http://www.readingrockets.org/article/383 (accessed 28 October 2014).

Hastings, S. (2003) 'Questioning', *TES Newspaper*, 4 July. Available from: http://www.tes.co.uk/article.aspx?storycode=381755 (accessed 22 September 2014).

Hattie, J. (2012) *Visible Learning for Teachers: Maximising the Impact on Learning*. Abingdon: Routledge.

Higgins, S. (2001a) 'Developing thinking skills in the primary classroom' (online), paper presented at the Register of Primary Research Seminar Conference 'Raising Achievement: Developing Thinking Skills', Education-Line, 27 October. Available from: http://www.leeds.ac.uk/educol/documents/140953.htm (accessed 28 October 2014).

Higgins, S. (2001b) *Thinking Through Primary Teaching*. Cambridge, UK: Chris Kington Publishing.

McCandlish S. (2012) 'Taking a "slice" of the oral language pie: an approach for developing oral language in schools' (online). Available from: http://www.decd.sa.gov.au/northernadelaide/files/links/Taking_a_slice_of_Oral_Lan.pdf (accessed 28 October 2014).

Mercer, N. (1995) *The Guided Construction of Knowledge: Talk Amongst Teachers and Learners*. Clevedon: Multilingual Matters.

Neaum, S. (2012) *Language and Literacy for the Early Years*. London: Sage.

Prince, A.W. (undated) 'Promoting oral language development in young children' (online), Super Duper Publications. Available from: http://www.superduperinc.com/handouts/pdf/120_oral_language_development.pdf (accessed 28 October 2014).

Roskos, K.A., Tabors, P.O. and, Lenhart, L. A. (2009) *Oral Language and Early Literacy in Preschool: Talking, Reading, and Writing*, 2nd edn. International Reading Association . Available from: http://www.reading.org/Libraries/books/bk693-1-Roskos.pdf (accessed 28 October 2014).

Vygotsky, L.S. (1962) *Thought and Language*. Cambridge, MA: MIT Press. For a brief summary of Vygotsky's ideas on thought and language and the differences between his and Piaget's ideas, see: http://www.simplypsychology.org/vygotsky.html (accessed 28 October 2014).

Wells, G. (1993) 'Reevaluating the IRF sequence', *Linguistics and Education*, no. 5, pp. 1–37.

# Acknowledgements

Except for third party materials and otherwise stated below, this content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/). The material acknowledged below is Proprietary and used under licence for this project, and not subject to the Creative Commons Licence. This means that this material may only be used unadapted within the TESS-India project and not in any subsequent OER versions. This includes the use of the TESS-India, OU and UKAID logos.

Grateful acknowledgement is made to the following sources for permission to reproduce the material in this unit:

Figure 1: left, 'My Village' and right, 'Agriculture', © local artists – unidentified.

Figure 2: NCERT, Rimjhim, Hindi, Class 1, Chapter 2: http://ncert.nic.in/NCERTS/textbook/textbook.htm?ahhn1=2-23.

Figure 3: Credit: Vidya Bhawan Education Resource Centre, Udaipur.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.